No. of Printed Pages—7

127/130 (ASN/TBB)

[20-HKPGDEO–M4S(O)21J]

MA 4th Semester (Old) Exam., 2020

ASSAMESE

[MAS (S4) 16 (Lit)]

(অনুবাদ সাহিত্য আৰু নির্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

[প্রথম ভাগ বাধ্যতামূলক। দ্বিতীয় ভাগৰ 'ক' বা 'খ' যি কোনো **এটা** ভাগৰ উত্তৰ কৰক]

প্রথম ভাগ

(অনুবাদ সাহিত্য)

১। তলৰ প্রশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) : ২×৩=৬

(ক) ছায়ানুবাদ বুলিলে কি বুজে?

(খ) অনুবাদ সাহিত্যৰ অধ্যয়ন পদ্ধতিৰ ভাগবোৰ উল্লেখ কৰক।

(গ) ৰাম সৰস্বতীয়ে অনুবাদ কৰা 'মহাভাৰত'ৰ পর্বকেইটাৰ নাম লিখক।

(ঘ) ৰোমাণ্টিক যুগত অসমীয়া অনুবাদ সাহিত্যৰ প্রগতিত গুৰুত্বপূর্ণ ভূমিকা থকা ব্যক্তিকেইগৰাকীৰ নাম লিখক।

২। তলৰ প্রশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : ৪×২=৮

(ক) অনুবাদ সম্পর্কে মার্টিন লুথাৰে আগবঢ়োৱা মতামতটো চমুকৈ আলোচনা কৰক।

(খ) অনুবাদ সাহিত্যৰ ব্যৱহাৰিক ব্যাখ্যা প্ৰসঙ্গত উল্লেখ থকা কথাখিনি বুজাই লিখক।

(গ) অনুবাদক এজন একে সময়তে ভাল পাঠক, সমালোচক আৰু লেখক হোৱা কিয় প্ৰয়োজন, ফঁহিয়াই দেখুৱাওক।

৩। তলৰ প্ৰশ্নসমূহৰ যি কোনো **এটাৰ** উত্তৰ লিখক (প্ৰায় ২৫০ শব্দৰ ভিতৰত) :

(ক) চমুকৈ লিখক : ৩×২=৬

(i) অনুবাদকৰ কাল আৰু স্থানৰ বিচ্ছিন্নতাৰ সমস্যা

(ii) পাঠৰ গণতান্ত্ৰিকীকৰণৰ সমস্যা

(খ) সাম্প্ৰতিক যুগত দেশী-বিদেশী ভাষাৰ গ্ৰন্থ অসমীয়া ভাষালৈ অনূদিত হোৱাৰ ফলস্বৰূপে অসমীয়া সাহিত্য কিদৰে সমৃদ্ধিশালী হৈ উঠিছে, বুজাই লিখক। ৬

৪। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×২=২০

(ক) অনুবাদ সাহিত্যৰ লক্ষ্য আৰু স্বৰূপ সম্পৰ্কে উল্লেখ কৰি ই কি কি ক্ষেত্ৰত প্ৰসাৰতা লাভ কৰিছে, বুজাই লিখক।

(খ) নব্য সাম্ৰাজ্যবাদ বুলিলে কি বুজা যায়? এই ক্ষেত্ৰত আপোনাৰ ধাৰণা ব্যক্ত কৰি অনুবাদৰ ক্ষেত্ৰত ই কেনেধৰণৰ প্ৰভাৱ পেলাব পাৰে, আলোচনা কৰক।

(গ) অসমীয়া অনুবাদ সাহিত্যৰ পৰম্পৰাত প্ৰাক্-শংকৰী যুগৰ ভূমিকা সম্পৰ্কে এটি আভাস দি এই যুগৰ অনূদিত সাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(নির্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন)

দ্বিতীয় ভাগ—ক

(শংকৰদেৱ)

৫। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×২=৪

(ক) ''ভাগৱত তত্ত্বমূলক গ্ৰন্থ নহয়, ই আখ্যানমূলক গ্ৰন্থহে'' বুলি কি কাৰণত কোৱা হৈছে?

(খ) শংকৰদেৱে 'বৰ্ষাবৰ্ণন'ত নৈসৰ্গিক উপাদানৰ মাজত মানবীয়ত্ব কিদৰে আৰোপ কৰিছে তাৰ এটি উদাহৰণ দাঙি ধৰক।

(গ) 'অঘাসুৰ বধ'ত বৰ্ণনা কৰা মতে অজগৰৰূপী অঘাসুৰৰ ৰূপৰ বৰ্ণনা দিয়ক।

৬। তলৰ প্ৰশ্নসমূহৰ যি কোনো **এটাৰ** উত্তৰ লিখক (প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪

(ক) 'গোপী-উদ্ধৱ সংবাদ' 'আদি দশম'ৰ অন্তৰ্গত নে সুকীয়া গ্ৰন্থ? বিচাৰ কৰক।

(খ) ব্ৰহ্মৰ দুটা ৰূপ কি কি? বুজাই লিখক।

৭। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×২=১২

(ক) 'আদি দশম'ৰ আধাৰত শংকৰদেৱৰ অনুবাদ ৰীতিৰ বিষয়ে আলোচনা আগবঢ়াওক।

(খ) বাৰিষা কালত সংকটত থকা জীৱকুলক মুক্ত কৰা সুখৰ সময় বুলি 'শৰৎ বৰ্ণনা'ত কি বৰ্ণনা দাঙি ধৰিছে, ব্যাখ্যা কৰক।

(গ) গৰখীয়া কৃষ্ণৰ কাৰ্যকলাপৰ মাজত কৃষ্ণৰ মহিমা কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰক।

৮। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×২=২০

(ক) ভক্তিৰসক 'আদি দশম'ৰ প্ৰধান ৰস বুলিব পাৰিনে? ভক্তিৰসৰ বাহিৰে আন কিবা ৰসৰ প্ৰয়োগত শংকৰদেৱে গুৰুত্ব প্ৰদান কৰিছে নেকি? বিশ্লেষণ কৰক।

(খ) 'অর্জুন ভঞ্জন'ৰ কাহিনীভাগৰ মাজেৰে মাতৃ-পুত্ৰৰ সম্পৰ্কৰ কোনবোৰ দিশ ফুটি উঠিছে?

(গ) যুগ ধৰ্ম মানে কি? কলিযুগৰ ধৰ্মৰ বিষয়ে 'আদি দশম'ৰ আধাৰত বিচাৰ কৰক।

দ্বিতীয় ভাগ—খ

(জ্যোতিপ্ৰসাদ আগৰৱালা)

৯। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×২=৪

(ক) 'জ্যোতিপ্ৰসাদৰ নাটকসমূহ গীতপ্ৰধান' মন্তব্যটিৰ সমৰ্থনত আপোনাৰ যুক্তি আগবঢ়াওক।

(খ) কাল্পনিক নাটক বুলিলে কি বুজে? লিখক।

(গ) 'লভিতা' নাটকৰ কাহিনীভাগৰ বিশেষত্ব কি? লিখক।

১০। তলৰ প্ৰশ্নসমূহৰ যি কোনো **এটাৰ** উত্তৰ লিখক (প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(খ) 'ৰূপালীম' নাটকৰ মণিমুগ্ধ চৰিত্ৰটিৰ চাৰিত্ৰিক বৈচিত্ৰ্য সম্পৰ্কে আলোচনা কৰক।

১১। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×২=১২

(ক) 'কাৰেঙৰ লিগিৰী' নাটকত বিভিন্ন নাট্যকাৰৰ প্ৰভাৱ পৰিলক্ষিত হৈছে, আপোনাৰ মতামত ব্যক্ত কৰি এটি প্ৰবন্ধ লিখক।

(খ) 'লভিতা' নাটকত প্ৰকাশ পোৱা কৰুণতা সম্পৰ্কে আলোচনা কৰক।

(গ) 'লভিতা' নাটকত অসমীয়া ডেকা-গাভৰুক উজ্জীৱিত কৰাৰ প্ৰচেষ্টা কেনেদৰে ফুটি উঠিছে? এটি আলোচনা আগবঢ়াওক।

১২। তলৰ প্ৰশ্নসমূহৰ যি কোনো **দুটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০০* শব্দৰ ভিতৰত) : ১০×২=২০

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' নাটকৰ কুঁজী, গণক আৰু নাপিতে কি নাট্য প্ৰয়োজন সাধন কৰিছে, উদাহৰণ দি আলোচনা কৰক।

(খ) নাট্যকাৰে চৰিত্ৰৰ মনোজগতৰ লগত সংগতি ৰক্ষা কৰি নাটকীয় চৰিত্ৰসমূহ অংকন কৰিছে, এইক্ষেত্ৰত 'কাৰেঙৰ লিগিৰী' নাটকৰ চৰিত্ৰ সৃষ্টিত জ্যোতিপ্ৰসাদ আগৰৱালা কিমানদূৰ সফল হ'ব পাৰিছে, উদাহৰণ দি ব্যাখ্যা কৰক।

(গ) জ্যোতিপ্ৰসাদৰ 'ৰূপালীম' আৰু মেটাৰলিংকৰ 'মোন্নাভান্না' নাটকৰ সাদৃশ্য সম্পৰ্কে বহলাই এটি আলোচনা যুগুত কৰক।